**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। অসমৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীৰ জাপানত চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰত্যাশা।

২। অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰীৰ সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে আলোচনা।

৩। অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক আজি বিভিন্ন বিভাগত নিযুক্তি।

৪। সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ সৈতে সংযোগ থকা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিশেষ তদন্তকাৰী দল গঠনৰ নিৰ্দেশ। *আৰু*

৫। বৰোদৰাত অনুষ্ঠিত মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ডেলহী কেপিটেলছৰ জয়লাভ।

০০০০০০

অসমৰ ৫০ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে জাপানত চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি সমাগত এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেলত প্ৰকাশ কৰি কয়, যে এই সন্মিলনতে অসম চৰকাৰে জাপান আৰু ছিংগাপুৰৰ বিভিন্ন ব্যৱসায়িক সংস্থাৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। এই অনুসৰি জাপানে অসমত এটা ভাষা কেন্দ্ৰ স্থাপন কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই কেন্দ্ৰটোত ৯ মাহৰ বাবে প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হ'ব। প্ৰশিক্ষণপ্ৰাপ্ত লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত চাকৰি লাভ কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতীয়ে জাপানত চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তদুপৰি ছিংগাপুৰতো অসমীয়া যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ পথ প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনৰ চৰকাৰী নাৰ্চিং মহাবিদ্যালয়সমূহত ছিংগাপুৰে ইংৰাজী বিষয়ত পাঠ দান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। এডভাণ্টেজ আছাম সন্মিলনৰ বাবে বৰ্তমানলৈ ৭ হাজাৰৰো অধিক প্ৰতিষ্ঠানে পঞ্জীয়ন কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ ফেব্ৰুৱাৰীত উদ্বোধন কৰিবলগীয়া দুদিনীয়া সন্মিলনলৈ ৩১ খন বিদেশী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতক আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি ভূটান, জাপান, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, থাইলেণ্ড আৰু মালয়েছিয়াই এই সন্মিলনৰ সহযোগী ৰাষ্ট্ৰ হিচাপে অংশ ল'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। এই সন্মিলনত ফিনলেণ্ড, ফিলিপিন্স, আইচলেণ্ড, অষ্ট্ৰিয়া আৰু দক্ষিণ কোৰিয়াইয়ো অংশ ল'ব। তদুপৰি কেবাটাও আগশাৰীৰ উদ্যোগগোষ্ঠীয়ে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। এই সন্মিলনত পৰ্যটন, নৱীকৰণযোগ্য শক্তিখণ, হাইড্ৰ' কাৰ্বন ইলেকট্ৰনিক্স আৰু ছেমিকণ্ডাক্টৰ, এৰো স্পেছ আৰু প্ৰতিৰক্ষা খণ্ডৰ উৎপাদন, বাঁহ উদ্যোগ আৰু বহনক্ষম

কৃষিকে ধৰি কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত ৭ গৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ আলোচনাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, কেইবাখনো বিদেশী ৰাষ্ট্ৰত বাহাল থকা ভ্ৰমণজনিত পৰামৰ্শ বিধিৰ পৰিপ্ৰেক্ষিতত অসমত বিদেশী বিনিয়োগৰ ক্ষেত্ৰত সমস্যা হোৱা হেতুকে মুখ্যমন্ত্ৰীয়ে কেইবাখনো ৰাষ্ট্ৰক এনেধৰণৰ বিধিসমূহ পুনৰীক্ষণ কৰিবলৈ আহ্বান জনোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত হ'বলগীয়া আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে আজি অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক বিভিন্ন বিভাগত নিযুক্তি প্ৰদান কৰিব। আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰিব। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগত সৰ্বাধিক ২৬২ গৰাকী আৰু বিত্ত বিভাগত ৯৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। উল্লেখযোগ্য যে অৰ্জুন বঁটাৰে সন্মানিত ধনুৰ্বিদ জয়ন্ত তালুকদাৰক ৰাজ্য চৰকাৰে উপ-আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিছে। ইয়াৰ লগে লগে চৰকাৰে পূৰ্বে প্ৰতিশ্ৰুতি দিয়া অনুসৰি একলাখ নিযুক্তি অতিক্ৰম কৰিছে।

০০০০০০

যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তান ভ্ৰমণ আৰু দেশখনৰ সৈতে সংযোগ থকা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ তদন্তকাৰী দল গঠন কৰি তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে বিষয়টো সন্দৰ্ভত স্পষ্ট হোৱাৰ বাবে এই তদন্তৰ প্ৰয়োজন আহি পৰিছে। এই বিষয়ে ৰাজ্যিক মন্ত্ৰীসভাত আলোচনা কৰি তদন্তকাৰী দলটো গঠন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

০০০০০০

যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম শীঘ্ৰে পুনৰ আৰম্ভ হ'ব। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে অহা ২৮ ফেব্ৰুৱাৰীত দলখন নিৰ্মাণৰ বাবে ব্যয় পুনৰীক্ষণ বৈঠক আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰা অনুসৰি মন্ত্ৰালয়ৰ সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হ'বলগীয়া ব্যয় বিত্তীয় সমিতিৰ বৈঠকত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে মাজুলী আৰু দক্ষিণপাৰে যোৰহাট সংযোগী দুই লেনযুক্ত দলংখন নিৰ্মাণৰ বাবে ব্যয় পুনৰ নিৰ্ধাৰণ কৰা হ'ব। তদুপৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে চাৰিলেনযুক্ত গৌৰীপুৰ বাইপাছ নিৰ্মাণৰ বাবেও নিবিদাত অনুমোদন জনাইছে। সেই অনুসৰি এটা নিৰ্মাণকাৰী প্ৰতিষ্ঠানক ২০৬ কোটি ৮৮ লাখ টকাৰ বিনিময়ত নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০০

সংবাদ মাধ্যমৰ ধামখুমিয়াৰ মাজতো ৰেডিঅ'ই স্বকীয়তা বৰ্তাই ৰাখি অনন্য ৰূপত অনুষ্ঠান প্ৰচাৰ কৰি আছে। ৰেডিঅ'ৰ বাতৰি সত্য, নিৰপেক্ষ আৰু নিৰ্ভৰযোগ্য হোৱা বাবেই অগণন শ্ৰোতাই এতিয়াও এই বাতৰিৰ প্ৰতি আস্থা ৰাখি আহিছে। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু কেইবাগৰাকীও শ্ৰোতাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে ৰেডিঅ'ৰ বাতৰি আৰু অনুষ্ঠানৰ মান এতিয়াও অক্ষুন্ন আছে আৰু ভৱিষ্যতেও এই মান বৰ্তি থাকিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। কেইবাগৰাকীও শ্ৰোতাই তেওঁলোকৰ ৰেডিঅ' শুনাৰ দীৰ্ঘদিনীয়া অভ্যাস সম্পৰ্কে জানিবলৈ দিয়ে। এই অনুষ্ঠানত ৰেডিঅ'ই জীৱনৰ এচোৱা সময়ত কেনেদৰে প্ৰভাৱ পেলাইছিল সেই সন্দৰ্ভত আলোচনাপন্থী আলফাৰ প্ৰাক্তন বৈদেশিক সচিব শশধৰ চৌধুৰীয়ে এইদৰে কয়-

## (বাইট ঃ শশধৰ চৌধুৰী)

অনুষ্ঠানটোৰ পৰিকল্পনা-প্ৰযোজনা আৰু উপস্থাপন আছিল ৰাজীৱ লোচন বৰঠাকুৰৰ। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্নজনৰ মতামত আগবঢ়াব।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নাৰায়ণপুৰৰ বৰদেউৰী গাঁৱত অৱস্থিত কুন্দি-কু অৰ্থাৎ দেওশালৰ নৱনিৰ্মিত কুন্দিকু গৃহ উদ্বোধন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা এই অনুষ্ঠানত সমন্বয় আৰু আধ্যাত্মিকতাৰ মিলন দেখি আনন্দিত হোৱা বুলি উল্লেখ কৰে। তেওঁ লগতে দেউৰীসকলৰ সমৃদ্ধ ইতিহাসে জাতীয় জীৱনক মহিমামণ্ডিত কৰিছে বুলি প্ৰকাশ কৰি সম্প্ৰদায়টোৰ ইতিহাস যাতে নতুন প্ৰজন্মই আওকান নকৰে তাৰ প্ৰতি সজাগ হোৱাৰ আহ্বান জনায়। এই দেওশালখনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে অনুষ্ঠিত উদ্বোধনী সভাখনত সাংসদ ৰণজিৎ দত্ত, বিধায়ক অমিয় কুমাৰ ভূঞা, দেউৰী পৰিয়ালৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, হৰেণ দেউৰী আৰু প্ৰাক্তন বিদায়ক দেৱানন্দ হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ ১২ নম্বৰ ক'লাজান গাঁৱৰ এজন লোকৰ বাসগৃহত কালি মেৰাপানী আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যৰ লগতে নগদ ধন জব্দ কৰে। আৰক্ষীয়ে অঞ্চলটোৰ এগৰাকী মহিলাৰ গৃহত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ হেৰ'ইনৰ লগতে চাৰে ৫ লাখ টকাৰো অধিক নগদ ধন জব্দ কৰাৰ উপৰি তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। লোক কেইজনৰ জিম্মাৰ পৰা নিচাযুক্ত টেবলেট, ৬ গ্ৰাম হেৰ'ইন আৰু ৯টা ম'বাইল হেণ্ডছেট জব্দ কৰা হয়।

একেদৰে ডিব্ৰুগড় জিলাৰ টিংখাং থানাৰ অন্তৰ্গত মাহমৰা থুলাইচুক গাঁৱৰ পৰা টিংখাং আৰক্ষীয়ে মাদকদ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। লোকজনৰ বাসগৃহৰ পৰা আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যৰ লগতে এখন চাৰিচকীয়া বাহনো জব্দ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰত-টেক্স ২০২৫ প্ৰদৰ্শনীত ভাগ ল'ব। এই সুযোগতে শ্ৰী মোদীয়ে এটা সমাৰেশক সম্বোধন কৰিব। যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ভাৰত টেক্স ২০২৫ৰ কাইলৈ সামৰণি পৰিব। এই প্ৰদৰ্শনীত কেঁচা সামগ্ৰী, উৎপাদিত সামগ্ৰী আৰু আনুসংগিক সা-সঁজুলীকে ধৰি বস্ত্ৰ উদ্যোগ খণ্ডৰ সমগ্ৰ মূল্য শৃংখলা একেখন মঞ্চত উপৰিষ্ট কৰোৱা হৈছে। বস্ত্ৰ উদ্যোগৰ বাবে বৃহৎ মঞ্চৰূপে পৰিগণিত এই প্ৰদৰ্শনীৰ লগত সংগতি ৰাখি বিভিন্ন সন্মিলন, আলোচনা চক্ৰ আদিৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানে সমগ্ৰ বিশ্বৰ ১২০ খনৰো অধিক দেশৰ নীতি নিৰ্ধাৰক, মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে ক্ৰেটাসকলক আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলন, অসমৰ ৫০ হাজাৰ যুৱক-যুৱতীয়ে চাকৰি পাব জাপানত, অধিবক্তা আইনৰ সংশোধনী আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে এতিয়ালৈকে ৭ হাজাৰ উদ্যোগতি, ষ্টাৰ্টআপ, উদ্যমী আদিয়ে পঞ্জীয়ন কৰাৰ বাতৰি দৈনিক অসম কাকতে **এডভাণ্টেজ আছামত সাতখন অংশীদাৰ দেশৰ উপৰি পাঁচখন ৰাষ্ট্ৰৰ অংশগ্ৰহণ নিশ্চিত ঃ উদ্যোগপতিসহ সাত হেজাৰৰ পঞ্জীয়ন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে জাপানৰ সৈতে অসম চৰকাৰে কৰিবলগীয়া বুজাবুজিৰ চুক্তিৰ ভিত্তিত দেশখনত অসমীয়া নিবনুৱাই চাকৰি লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা বাতৰিক **৫০ হেজাৰ অসমীয়াই চাকৰি পাব জাপানত** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটোক দি আছাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰে'ল বিভাগে উত্তৰ-পূব সীমান্ত ৰে'লৱেত স্থায়ী নিযুক্তিৰ পৰিৱৰ্তে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক নিযুক্তি প্ৰদানৰ বাবে তৎপৰতা চলোৱাৰ পৰিপ্ৰেক্ষিতত নিবনুৱাসকল আশাহত হোৱা বুলি এটা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে **এন এফ ৰে'লৱেত নতুন নিযুক্তি** স্তব্ধ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

১৯৬১ চনৰ অধিবক্তা আইনৰ সংশোধন কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে অধিবক্তা সংশোধনী বিধেয়ক ২০২৫ খচৰা প্ৰকাশ কৰাৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ত ৫৮ গৰাকী সহকাৰী অধ্যাপক আৰু ৪ হাজাৰ ৫২৯ গৰাকী অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তি পত্ৰ প্ৰদান কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তান ভ্ৰমণক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ তদন্তকাৰী গোট গঠন কৰিব বুলি কৰা ঘোষণাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভাৰতত মাৰ্কিন সুৰাৰ শুল্ক ৫০ শতাংশ হ্ৰাস কৰাৰ বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ দ্বিপাক্ষিক বৈঠকৰ পাছতে দুয়োখন দেশে অবৈধ প্ৰব্ৰজনৰ সমস্যা সমাধানৰ বাবে উভয় দেশে কাম কৰিব বুলি প্ৰকাশ কৰা বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত আজি কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হ'ব। কাৰ্বি কলা-কৃষ্টিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে ১৯৭৪ চনৰ পৰাই কাৰ্বি যুৱ মহোৎসৱ উদযাপন কৰি অহা হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ পতাকা উত্তোলনেৰে আজি মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। অহা ১৯ ফেব্ৰুৱাৰীলৈকে হ'বলগীয়া এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যসকলৰ লগতে বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক দল-সংগঠনৰ প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০

বড়োদৰাৰ কোটাম্বি ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি ১৯ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৪ ৰান সংগ্ৰহ কৰে। দেলহী কেপিটেলছে ১৬৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। নিকি প্ৰসাদক **প্লেয়াৰ অব দ্যা মেচ** ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি বড়োদৰাত হ'বলগীয়া এখন খেলত গুজৰাট জায়েণ্টছ, ইউ পি ৱাৰিয়ৰ্জৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়াম প্ৰকল্পৰ খেলপথাৰত আজিৰে পৰা ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব। চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সভাপতি যতীন শৰ্মা, কাৰ্যকৰী সভাপতি অপূৰ্ব বৰ্মন আৰু সাধাৰণ সম্পাদক বিকাশ ভট্টাচাৰ্যই কালি এখন সংবাদমেলত জনাই যে আজিৰ পৰা প্ৰতিদিনে দিনৰ ১১ বজাত আৰু আবেলি ২ বজাত দুখনকৈ খেল অনুষ্ঠিত হ'ব। সেই অনুসৰি আজিৰ প্ৰথমখন খেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ নৰ্থ কামৰূপ স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব আৰু দ্বিতীয়খন খেলত ৰাণী ক'চিং চেণ্টাৰ গোৱালপাৰাৰ দলৰ মুখামুখি হ'ব। তদুপৰি বৰদলৈ ট্ৰফীৰ ক্লাষ্টাৰ-টুৰ খেলবোৰ আজিৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ তেজপুৰৰ প'ল'গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব।

০০০০০০

মহানগৰীৰ উপকণ্ঠ সোণাপুৰৰ দ্বীপেন দেউৰী আৰু ৰুবী বৰুৱাৰ ৩ বছৰীয়া পুত্ৰ ধৃহান দিত্যম দেউৰীয়ে ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। ধৃহানে দেশৰ ২৮ ৰাজ্যৰ ৰাজধানীৰ নাম মাত্ৰ ২২ ছেকেণ্ডত মুখস্থ মাতি এই অভিলেখৰ গৰাকী হয়। প্ৰতিভাৱান শিশুটিক কালি দিল্লীৰ ফৰিদাবাডত অনুষ্ঠিত ইণ্ডিয়ান বুক অৱ ৰেকৰ্ডছৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত বঁটা প্ৰদান কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ

তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত